# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 27-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে আজিও সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

২। চৰকাৰে ৰেলগাড়ীসমূহৰ অনাসংৰক্ষিত দবা আঁতৰ কৰাৰ কোনো পৰিকল্পনা নাই বুলি প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় সংখ্যালঘু মন্ত্ৰী কিৰেণ ৰিজিজুৱে দেশত প্ৰায় ৫৯ হাজাৰ টা ৱাকফ সম্পত্তি দখল হোৱা বুলি প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে বাংলাদেশত হিন্দুসকলক লক্ষ্য কৰি হোৱা আক্ৰমণৰ ঘটনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপৰ দাবী জনাইছে। ***আৰু***

৫। ভাৰতে ইজৰাইল আৰু লেবাননৰ মাজত হোৱা যুদ্ধ বিৰতিৰ চুক্তিৰ প্ৰতি আদৰণি জনাইছে।

ooooo

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত আজিও সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। প্ৰথমবাৰৰ বাবে ৰাজ্যসভাৰ কাম-কাজ স্থগিত ৰখাৰ পাছত দিনৰ চাৰে ১১ বজাত উচ্চ সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, বাওঁপন্থী দল, ডি এম কে, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী আৰু আন কেইবাটাও দলে তেওঁলোকৰ দ্বাৰা উল্লেখিত বিষয়কেইটাৰ সন্দৰ্ভত সদনত সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনায়। সভাপতি জগদীপ ধনখড়ে এই দাবী প্ৰত্যাখান কৰাত বিৰোধী সদস্যসকলে ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়। সভাপতিৰ বাৰম্বাৰ অনুৰোধকো বিৰোধী সদস্যসকলে কৰ্ণপাত নকৰাত সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ধনখড়ে ঘোষণা কৰে। ইয়াৰ পূৰ্বে পুৱা সদন মিলিত হোৱাৰ সময়ত আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীটোৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ, মণিপুৰৰ সংঘৰ্ষ আৰু উত্তৰ প্ৰদেশৰ চম্ভলৰ ঘটনাৰ বাবে বিৰোধী পক্ষই সদন পৰিচালনাৰ ২৬৭ নম্বৰ নিয়মৰ অধীনত সভা স্থগিতকৰণৰ প্ৰস্তাৱৰ জাননী সভাপতিয়ে খাৰিজ কৰে।

ইয়াকে লৈ বিৰোধী পক্ষৰ সাংসদসকলে হুলস্থুলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ ফলত সদনৰ কাম-কাজ দিনৰ চাৰে ১১ বজালৈ স্থগিত ৰখা হয়।

লোকসভাতো আজি অনুৰূপ দাবীক লৈ বিৰোধী কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, তৃণমূল কংগ্ৰেছ আৰু অন্যান্য দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে আৰু সেই সময়ত সদনৰ কাম-কাজ সভাপতিয়ে

দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে। দিনৰ ১২ বজাত নিম্ন সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰা সময়তো কেইবাগৰাকীও বিৰোধী সদস্য সদনৰ মজিয়ালৈ উঠি আহি দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ আৰু অন্যান্য বিষয়সমূহক লৈ ধ্বনি দিবলৈ আৰম্ভ কৰে। সদন পৰিচালনাৰ দায়িত্বত থকা সাংসদগৰাকীয়ে সদনৰ শৃংখলা ৰক্ষাৰ বাবে জনোৱা বাৰম্বাৰ আহ্বানক বিৰোধী পক্ষই কৰ্ণপাত নকৰাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

০০০০০

চৰকাৰে ৰেলগাড়ীসমূহৰ অনাসংৰক্ষিত দবা আঁতৰ কৰাৰ কোনো পৰিকল্পনা নাই বুলি প্ৰকাশ কৰিছে। ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি লোকসভাত এটা লিখিত উত্তৰত এই কথা সদৰি কৰে। তেওঁ কয়, যে চলিত বিত্তীয় বৰ্ষত এল এইচ বি দবা বিশিষ্ট মেইল এক্সপ্ৰেছ ৰেলগাড়ীসমূহৰ ছশৰো অধিক অসংৰক্ষিত দবা সংযুক্ত কৰা হৈছে। তেওঁ লগতে কয়, যে বৰ্ধিত চাহিদালৈ চাই ৰেল বিভাগে অসংৰক্ষিত আৰু শ্লিপাৰসহ ১০ হাজাৰৰো অধিক দবা নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছে।

০০০০০

কেন্দ্ৰীয় সংখ্যালঘু মন্ত্ৰী কিৰেণ ৰিজিজুৱে দেশত প্ৰায় ৫৯ হাজাৰ টা ৱাকফ সম্পত্তি দখল হোৱা বুলি প্ৰকাশ কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে ৱাকফ আইনৰ বিভিন্ন ধাৰা অনুসৰি ৰাজ্যিক বাকফ বোৰ্ডৰ মুখ্য কাৰ্যবাহী বিষয়াই বাকফ  সম্পত্তিৰ দখলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। তেওঁ কয়, যে আইনখনত বাকফ  সম্পত্তিৰ বিক্ৰী, বিনিময়, বন্ধক বা হস্তান্তৰ আৰম্ভণিৰে পৰা অবৈধ বুলি উল্লেখ আছে। বাকফ সম্পত্তি সম্পৰ্কীয় বিভিন্ন অভিযোগ সঠিক ব্যৱস্থা গ্ৰহণৰ বাবে  ৰাজ্যিক বাকফ বোৰ্ড আৰু ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

নীতি আয়োগৰ অটল উদ্ভাৱন অভিযানৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তত ৰূপায়ণ কৰা ১০ হাজাৰ অটল টিংকাৰিং পৰীক্ষাগাৰ ভিতৰত ৫ হাজাৰ ৬৯২ টা গ্ৰামাঞ্চলত স্থাপন কৰা হৈছে। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰাও ইন্দ্ৰজিৎ সিঙে আজি লোকসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অভিলাসী জিলাসমূহত এহেজাৰ ২২ টা আৰু অভিলাসী উন্নয়ন খণ্ডসমূহত ৩৭৫ টা এনে পৰীক্ষাগাৰ স্থাপন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে অটল টিংকাৰিং পৰীক্ষাগাৰ হৈছে - যুৱক-যুৱতীসকলে নিজৰ অৱধাৰণাসমূহক আকাৰ দিব পৰা আৰু উদ্ভাৱনী দক্ষতা আহৰণ কৰিব পৰা সুকীয়া কেন্দ্ৰ।

০০০০০

কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে আজি কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ  পৰ্যটন আৰু আন্তঃগাঁথনি খণ্ডৰ অৰ্থনৈতিক প্ৰগতিৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত খণ্ড দুটাৰ বিকাশত অধিক গুৰুত্ব আৰোপ কৰিছে। পৰ্যটন মেলাখন মুকলি কৰাৰ অন্তত এখন সংবাদমেল সম্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে যোৱা ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে পুঁজি আৱণ্টন বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে  উত্তৰ পূৰ্বাঞ্চলক দেশৰ বিকাশৰ অষ্টলক্ষ্মী বুলি গণ্য কৰাৰ বাবে  উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি চৰকাৰৰ দৃষ্টিভংগী সলনি হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।  কাজিৰঙাত আয়োজিত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাই চহকী পৰ্যটন ক্ষেত্ৰ তথা

সংস্কৃতিক বিশ্বৰ আগত তুলি ধৰি অঞ্চলটোক লাভান্বিত কৰিব বুলিও কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশেখাৱটে উল্লেখ কৰে। পৰ্যটন মেলাত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে বাংলাদেশত হিন্দুসকলক লক্ষ্য কৰি হোৱা আক্ৰমণৰ ঘটনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপৰ দাবী জনাইছে। সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰীসিঙে আজি কয়, যে আক্ৰমণৰ ঘটনাসমূহৰ পৰা বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰ যে মৌলবাদীসকলৰ কবলত পৰিছে সেয়া স্পষ্ট হৈ পৰিছে। এনে ধৰণৰ আক্ৰমণ মানৱতাৰ পৰিপন্থী বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে বিষয়টো সন্দৰ্ভত কংগ্ৰেছ আৰু অন্য বিৰোধী দলসমূহৰ মৌনতাক লৈ প্ৰশ্ন উত্থাপন কৰে।

সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত জন সেনা পাৰ্টীৰ মুৰব্বী আৰু অন্ধ্ৰপ্ৰদেশৰ উপ মুখ্যমন্ত্ৰী পৱন কল্যানে কয় যে, বাংলাদেশৰ ঘটনাৰাজি সচাকৈ বেদনাদায়ক। তেওঁ কয় যে, পেলেষ্টাইনত কিবা হলে বিৰোধী পক্ষই তেওঁলোকৰ বেদনাৰ কথা দোহাৰিবলৈ নাপাহৰে যদিও তেওঁলোক বাংলাদেশৰ ঘটনাৰাজিক লৈ প্ৰতিক্ৰিয়া প্ৰকাশৰ পৰা আঁতৰি ফুৰিছে।

তৃণমূলক কংগ্ৰেছৰ জ্যেষ্ঠ সাংসদ সৌগত ৰায় কয় যে, বাংলাদেশত কিবা হ'লে পশ্চিমবংগত তাৰ প্ৰভাৱ পৰে। তেওঁ লগতে ইস্কনৰ পুজাৰীগৰাকীৰ গ্ৰেপ্তাৰ অনুচিত বুলি মন্তব্য কৰে। সাংসদগৰাকীয়ে কয়, যে ভাৰতে বিষয়টোত কূটনৈতিকভাৱে হস্তক্ষেপ কৰা উচিত।

০০০০০

ভাৰতে ইজৰাইল আৰু লেবাননৰ মাজত হোৱা যুদ্ধ বিৰতিৰ চুক্তিৰ প্ৰতি আদৰণি জনাইছে। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে, যে ভাৰতে সদায় উত্তেজনা হ্ৰাস কৰা, সংযম বৰ্তাই চলা আৰু আলোচনা আৰু কূটনীতিৰ পথ গ্ৰহণ কৰাৰ বাবে আহ্বান জনাই আহিছে। ভাৰতে লগতে এই শেহতীয়া ঘটনাক্ৰমে অঞ্চলটোলৈ শান্তি-সুস্থিৰতা অনাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুইজত ভাগ লৈ ঐতিহাসিক বিকশিত ভাৰত যুৱ নেতা আলোচনাৰ অংশ হবলৈ আহ্বান জনাইছে। ২৫ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা এই সৰ্বভাৰতীয় ডিজিটেল কুইজ প্ৰতিযোগিতাৰ ৫ ডিচেম্বৰত সামৰণি পৰিব। এই প্ৰতিযোগিতাত ১৫ ৰ পৰা ২৯ বছৰ বয়সৰ ভিতৰৰ সকলো ব্যক্তিয়ে অংশগ্ৰহণ কৰিব পাৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এয়া যুৱক-যুৱতীসকলৰ অমূল্য অৱদান হ'ব। লগতে তেওঁ কয়, যে তেওঁলোকৰ উদ্ভাৱনী ধাৰণা চৰকাৰৰ শীৰ্ষ পৰ্যায়ৰ ব্যক্তিলৈ আগবঢ়োৱাৰ বাবে এয়া এক বিশেষ সুযোগ।

০০০০০

বিজেপিয়ে ইলেকট্ৰনিক ভোটগ্ৰহণ যন্ত্ৰ-ই ভি এম সন্দৰ্ভত কৰা মন্তব্যৰ বাবে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক সমালোচনা কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে কংগ্ৰেছে অকল নিৰ্বাচনত পৰাজয় হ'লেহে ই ভি এমক লৈ প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, যে

কংগ্ৰেছ প্ৰায় আটাইকেইখন ৰাজ্যতে এলাগি হৈ পৰিছে। আনকি ঝাৰখণ্ড বিধানসভা নিৰ্বাচনতো কংগ্ৰেছে বিজেপিতকৈ কম আসনত জয়ী হৈছে। ই ভি এমৰ বাবে অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু দুখীয়া লোকৰ ভোট অথলে যোৱা বুলি কৰা মন্তব্যৰ বাবেও মুখপাত্ৰগৰাকীয়ে শ্ৰীখাৰ্গেক তীব্ৰ সমালোচনা কৰে। এনে ধৰণৰ চিন্তাধাৰা এই সম্প্ৰদায়সকলৰ প্ৰতি অপমানজনক বুলি শ্ৰীপাত্ৰই কয়।

ooooo

ঃঃ সমাপ্ত ঃঃ